# বিজিতা শৰ্মাৰ কবিতা

**আলোৰ কবৰ**

নিজৰ কবৰ খান্দি থাকোতে
কেতিয়া ধুমুহাজাক আহিল
উমানেই নাপালোঁ
যেতিয়া চেতনা আহিল
হাতত ভেকুৰ আৰু শিমলু গছৰ
উৰঁলি যোৱা শিপাখিনি ৰৈ গ’ল ।

**ভ্ৰান্তি**

সপোন নহয়
কিন্ত
সঁচা যেনো লগা নাই।
দুৱাৰখন ভাঙি পেলালে
কিন্ত দেৱালকেইখনত
এটাও দাগ নালাগিল,
সোনকালে ওলাই আহ বাহিৰত
ভিতৰত সেই উগ্ৰ গোন্ধটোত
নিজৰ ঘৰটোও
উন্মাদ হৈ গৈছে
কেতিয়া গছকি দিয়ে
তৰ্কিবই নোৱাৰিবি।

**বিজিতা শৰ্মা** হাইদৰাবাদ নিবাসী এগৰাকী কবি।